**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 14-06-2025 **Time :** 1800 Hrs.

## Assamese Evening Bulletin

ডিব্ৰুগড়ৰ জেইল ৰোডত অসম চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ চিটী হাস্পতালৰ আধাৰশিলা স্থাপনৰ বাবে মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই আজি কিছুসময় পূৰ্বে ডিব্ৰুগড়ত উপস্থিত হৈছে। ডং ভূপেন হাজৰিকাৰ নামেৰে নামকৰণ হবলগীয়া মোহনবাৰী বিমান বন্দৰত অৱতৰণ কৰাৰ পাছতে মুখ্যমন্ত্ৰীগৰাকীক দলীয় কৰ্মীসকলে আদৰণি জনায়। উল্লেখযোগ্য যে বিশ্ব বেংকৰ সাহায্য প্ৰাপ্ত এছিষ্ট প্ৰকল্পৰ অধীনত ২০৬ কোটি টকা ব্যয় সাপেক্ষে ২৮ হাজাৰ ৮৪৪ বৰ্গ মিটাৰ এলেকাজুৰি এই হাস্পতালখন নিৰ্মাণ কৰা হ'ব। এই উপলক্ষে ডিব্ৰুগড়ৰ ফুল বাগানৰ পুৰণি চৰকাৰী বালক উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত আয়োজিত অনুষ্ঠানত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, চিকিৎসা, শিক্ষা আৰু গৱেষণা আদি বিভাগৰ মন্ত্ৰী প্ৰশান্ত ফুকন আৰু উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী বিমল বৰা উপস্থিত থাকিব। নতুনকৈ নিৰ্মাণ হ'বলগীয়া ছটা মহলাযুক্ত এই হাস্পতাল ভৱনত মাল্টি স্পেছিয়েলিটি আৰু অন্যান্য অত্যাধুনিক সুবিধাসমূহ উপলব্ধ হ'ব।

মুখ্যমন্ত্ৰী ডং শৰ্মাই আজি ধেমাজীৰ চিচিবৰ গাওঁ বিধানসভা সমষ্টিৰ উন্নয়ন সন্দৰ্ভত এখন পৰ্যালোচনা বৈঠকত অংশ লয়। এই বৈঠকত বান নিয়ন্ত্ৰণ, পথ যোগাযোগ, আৰু পানী যোগান ব্যৱস্থাৰ উন্নয়নৰ উপৰি সাংস্কৃতিক আৰু ক্ৰীড়া আন্তঃগাথনি উন্নয়ন, প্ৰধানমন্ত্ৰী আৱাস যোজনা গ্ৰামীনৰ অধীনত গৃহ নিৰ্মাণকে ধৰি বিভিন্ন বিষয় আলোচনা কৰা হয়। মুখ্যমন্ত্ৰীয়ে তেওঁৰ দুদিনীয়া ডিব্ৰুগড় ভ্ৰমণৰ সময়ত ডিব্ৰুগড়ৰ সচিবালয়ত মাজুলী, মাহমৰাকে ধৰি কেইবাটাও বিধানসভা সমষ্টিৰ উন্নয়নমূলক কামকাজৰ পৰ্যালোচনা কৰিব। ডং শৰ্মাই কাইলৈ দিহিং খামতিঘাটতো এখন ৰাজহুৱা সভাত ভাগ ল'ব।

০০০০০০০

কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু ৰাজ্য চৰকাৰৰ জলসম্পদ বিভাগৰ মন্ত্ৰী পিযুষ হাজৰিকাই আজি চাবুৱাৰ বালিজানৰ খহনীয়াগ্ৰস্ত অঞ্চল পৰিদৰ্শন কৰে। বালিজান নৰ্থ চাহ বাগিছা আৰু বগৰীতলীয়াৰ ব্ৰহ্মপুত্ৰ নদীকাষৰীয়া প্ৰা ডেৰ কিলোমিটাৰ এলেকা অতি বিপজ্জনক আৰু আন ৩ কিলোমিটাৰ অঞ্চল বিপজ্জনক হিচাপে চিনাক্ত কৰা হৈছে। কেন্দ্ৰীয়। মন্ত্ৰী সোণোৱাল আৰু ৰাজ্যৰ জলসম্পদ বিভাগৰ মন্ত্ৰী পীযুষ হাজৰিকাই অঞ্চলটো পৰিদৰ্শন কৰি তৎকালীনভাৱে খহনীয়া প্ৰতিৰোধৰ বাবে সংশ্লিষ্ট বিভাগক প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণৰ নিৰ্দেশ দিয়ে। অঞ্চলটোৰ বহু লোকে মন্ত্ৰী দুগৰাকীক শীঘ্ৰে খহনীয়া ৰোধৰ ব্যৱস্থা গ্ৰহণৰ বাবে অনুৰোধ জনায়।

উল্লেখযোগ্য যে, চলিত বৰ্ষৰ প্ৰথমটো বানত ডিব্ৰুগড় জিলাৰ বিভিন্ন অঞ্চলত ব্যাপক ৰূপ ধাৰণ কৰাৰ লগতে বহু সা-সম্পত্তি ধ্বংস হৈছে। পৰৱৰ্তী সময়ত বালিজান, বিন্ধাকতা, বগৰীতলিয়া আদি অঞ্চলত খহনীয়াই তীব্ৰ ৰূপধাৰণ কৰি জনসাধাৰণৰ জীৱনলৈ ভাবুকি কঢ়িয়াই আনিছে।

০০০০০০০

তেল আৰু প্ৰাকৃতিক গেছ নিগমৰ শিৱসাগৰ জিলাৰ ৰুদ্ৰসাগৰ তৈলক্ষেত্ৰৰ অধীনস্থ ১৪৭ নম্বৰ ৰীগত হোৱা গেছৰ নিৰ্গমন আজিও অব্যাহত আছে। ৰীগটোৰ পৰা অবিৰতভাৱে হৈ থকা নিৰ্গমন এতিয়ালৈ নিয়ন্ত্ৰণ কৰিব পৰা হোৱা নাই যদিও বিশেষজ্ঞৰ দ্বাৰা প্ৰচেষ্টা চলাই থকা হৈছে বুলি নিগমে প্ৰেছ বিবৃতিযোগে প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে যোৱা বৃহস্পতিবাৰে দুপৰীয়া তেল কূপটোত গেছৰ নিৰ্গমন আৰম্ভ হয়। প্ৰচণ্ড শব্দৰে নিৰ্গত হোৱা এই গেছৰ ফলত জনস্বাস্থ্যৰ প্ৰতি সৃষ্টি হোৱা ভাবুকিৰ প্ৰতি লক্ষ্য ৰাখি জিলা প্ৰশাসনে সমীপৰ ৭০ টা পৰিয়ালক সেই অঞ্চলৰ পৰা স্থানান্তৰ কৰিছে। অস্থায়ীভাৱে ভাটিবনগাওঁ এলেকাত স্থাপন কৰা শিবিৰত এই লোকসকলক থকা-খোৱাৰ ব্যৱস্থা কৰা হৈছে। ইপিনে, এই গেছ নিৰ্গমনৰ পাছত হৃদক্ৰিয়া বন্ধ হৈ ভটিয়াপাৰৰ নৰেন গগৈ নামৰ এজন লোকৰ মৃত্যু হোৱা বুলি পৰিয়ালৰ লোকে অভিযোগ তুলিছে। সংকটজনক অৱস্থাত লোকজনক শিৱসাগৰৰ এখন ব্যক্তিগত চিকিৎসালয়লৈ লৈ যোৱা হয় যদিও লোকজনৰ চিকিৎসা গ্ৰহণৰ পূৰ্বে মৃত্যু হয়।

০০০০০০০

অসম চৰকাৰে ধেমাজি জিলাৰ ইতিহাস প্ৰসিদ্ধ, আহোম ৰাজ্যৰ দ্বিতীয় ৰাজধানী হাবুঙক বিশ্বমানৰ পৰ্যটন কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ বাবে আঁচনি ৰূপায়ন কৰিছে যদিও অঞ্চলটোৰ বিস্তৃৰ্ণ ভূমি দখল হৈ থকাত হাবুং উন্নয়ন আৰু পৰিচালনা সমিতি অসুবিধাৰ সন্মুখীন হৈছে। আজি সমিতিয়ে আহ্বান কৰা সংবাদমেলত হাবুঙৰ ভূমি সমস্যাটো সমাধান কৰাৰ বাবে মুখ্যমন্ত্ৰীক আহ্বান জনোৱা হয়। সংবাদমেলত সমিতিয়ে ইয়াৰ কাম-কাজৰ খতিয়ান দিয়াৰ লগতে অঞ্চলটোত চৰকাৰী আঁচনি ৰূপায়নৰ অগ্ৰগতি সম্পৰ্কেও সংবাদ মাধ্যমক অৱগত কৰে। ঐতিহাসিক হাবুং চৌহদত আহোম জনগোষ্ঠীৰ পৰম্পৰাগত পানীয়ৰ বাহিৰে অন্য কোনো নিচাযুক্ত পানীয়, ধপাতযুক্ত সামগ্ৰীৰ সেৱন আদি সম্পূৰ্ণৰূপে নিষিদ্ধ কৰা হৈছে। এই নীতি নিৰ্দেশনা ভংগ কৰা দৰ্শনাৰ্থীৰ বিৰুদ্ধে আইনগত ব্যৱস্থা লোৱা হ'ব বুলিও পৰিচালনা সমিতিয়ে প্ৰকাশ কৰিছে।

০০০০০০০

ৰাজ্য চৰকাৰৰ শিক্ষা, ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণী কল্যাণ বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি ধেমাজি চিটী কলেজৰ প্ৰেক্ষাগৃহত আয়োজিত সংশোধিত আইন ব্যৱস্থা সম্পৰ্কীয় এখন গুৰুত্বপূৰ্ণ কৰ্মশালা উদ্বোধন কৰে। ধেমাজি জিলা সাংবাদিক সংস্থাৰ উদ্যোগত ধেমাজি চিটী কলেজৰ আতিথ্যত আয়োজিত কৰ্মশালাখনত সংশোধিত আইন ব্যৱস্থাৰ ভাৰতীয় ন্যায় সংহিতা, ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতা আৰু ভাৰতীয় সাক্ষ্য অধিনিয়ম সন্দৰ্ভত আলোচনা হয়। কৰ্মশালাখন জিলাখনত আইনী সজাগতাৰ ক্ষেত্ৰত সহায়ক হ'ব বুলি মন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে। কৰ্মশালাত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ জ্যেষ্ঠ অধিবক্তা বিজন মহাজনে সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰি সংশোধিত আইন ব্যৱস্থা সন্দৰ্ভত আলোচনা আগবঢ়ায়।

০০০০০০০

**সমাপ্ত**